# গুণোৎসৱত সহযোগ নকৰে গোৱালপাৰাৰ কলেজ শিক্ষকে

প্ৰতিদিন বিশেষ সেৱা, গোৱালপাৰা, ৩ জানুৱাৰী ঃ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ দীৰ্ঘদিনীয়া দাবীসমূহ সমাধান নকৰাৰ প্ৰতিবাদত আজি সদৌ অসম কলেজ শিক্ষক সন্থাৰ গোৱালপাৰা জিলা সমিতিয়ে গুণোৎসৱত অসহযোগৰ সিদ্ধান্ত গ্ৰহণ কৰি সমগ্ৰ শিক্ষাৰ মিছন সঞ্চালকলৈ গোৱালপাৰা জিলা আয়ুক্তৰ জৰিয়তে এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ সেৱাৰ চৰ্ত, কেৰিয়াৰ অগ্ৰগতি আৰু ৰাজ্যৰ উচ্চ শিক্ষাৰ সামগ্ৰিক উন্নতি সম্পৰ্কীয় কেইবাটাও সমস্যা সমাধানৰ বাবে অসম চৰকাৰক দাবী জনাই আহিছে। চৰকাৰে বাৰে বাৰে আশ্বাস দিয়াৰ পিচতো এই সমস্যাসমূহৰ সমাধানৰ ক্ষেত্ৰত কোনো ব্যৱস্থা গ্ৰহণ কৰা নাই বুলি অভিযোগ কৰিছে সদৌ অসম কলেজ শিক্ষক সন্থাৰ গোৱালপাৰা জিলা সমিতিয়ে। চৰকাৰৰ উদাসীনতাৰ প্ৰতিবাদত অসমৰ মহাবিদ্যালয় শিক্ষকসকলে সমগ্ৰ শিক্ষাৰ অধীনত অসম চৰকাৰে আয়োজন কৰা গুণোৎসৱ কাৰ্যসূচীত অংশ গ্ৰহণ নকৰাৰ সিদ্ধান্ত লৈছে। স্মাৰকপত্ৰত উল্লেখ কৰামতে ২০২৪ চনৰ ২৯ জানুৱাৰীত প্ৰকাশিত পদোন্নতি তালিকাৰ সৈতে জড়িত নিৰ্ধাৰিত তাৰিখৰ সমস্যা সমাধান নকৰাৰ ফলত অপ্ৰয়োজনীয় পলম আৰু অনিশ্চয়তাৰ সৃষ্টি হৈছে। মহাবিদ্যালয়ৰ পদ নিয়মীয়াকৰণ আৰু পদোন্নতি প্ৰক্ৰিয়াত পলম হোৱা, উচ্চশিক্ষাৰ বাবে উপযুক্ত আন্তঃগাঁথনিৰ অভাৱ আদি সমস্যাসমূহৰ সমাধানৰ বাবে বাৰে বাৰে দাবী জনোৱাৰ পিচতো চৰকাৰে গুৰুত্ব দিয়া নাই। সমিতিয়ে মহাবিদ্যালয়ৰ শিক্ষকসকলৰ দাবীসমূহ পূৰণৰ বাবে চৰকাৰক তাৎক্ষণিক পদক্ষেপ ল'বলৈ আহ্বান জনাইছে।